**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-04-2026 **Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে চৰকাৰে ছিকিমত সংযোগ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ ক্ষেত্ৰত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে।

২। পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযানৰ কালি সামৰণি পৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ছাংহাই সহযোগিতা সংগঠন, এছ চি অ'ৰ সিদ্ধান্তসমূহ ইতিবাচকভাৱে কাৰ্যকৰী কৰাৰ বাবে ভাৰত দায়বদ্ধ বুলি দোহাৰিছে।

৪। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰিছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ হ'বলগীয়া এখন খেলত আজি পঞ্জাৱ কিংছ, ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে চৰকাৰে ছিকিমত সংযোগ আৰু আন্তঃগাঁথনি উন্নত কৰাৰ ক্ষেত্ৰত সৰ্বোচ্চ অগ্ৰাধিকাৰ দিছে। শ্ৰীমোদীয়ে পালজ'ৰ ষ্টেডিয়ামত আয়োজিত ৫০ সংখ্যক ছিকিমৰ ৰাজ্যিক প্ৰতিষ্ঠা দিৱসৰ সামৰণি অনুষ্ঠানত ভাষণ দি এইদৰে কয়। তেওঁ ছিকিমক পূবৰ স্বৰ্গ বুলি অভিহিত কৰি পৰ্যটকসকলক ইয়াৰ বিখ্যাত অৰ্কিডসমূহ চাবলৈ আহ্বান জনায়। তেওঁ লগতে ৰাজ্যখনৰ পৰিস্কাৰ-পৰিচ্ছন্নতাৰ বাবেও প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰী ৰাজ্যখনত অপৰিসীম পৰ্যটন সম্ভাৱনাৰ ওপৰত আলোকপাত কৰি জনসাধাৰণৰ কল্যাণৰ বাবে এই সুযোগসমূহ সম্পূৰ্ণৰূপে বিকশিত কৰাৰ ক্ষেত্ৰত কেন্দ্ৰৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰে। জৈৱিক আৰু প্ৰাকৃতিক কৃষিৰ ক্ষেত্ৰত ছিকিমৰ সফলতা সমগ্ৰ দেশৰ বাবে আদৰ্শ হৈ পৰিছে বুলিও তেওঁ কয়। শ্ৰীমোদীয়ে সুলভ স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে আয়ুস্মান ভাৰত পদক্ষেপৰ অধীনত ৭০ বছৰ বয়সৰ উধৰ্বৰ নাগৰিক সকললৈ বিনামূলীয়া আয়ুস্মান কাৰ্ড বিতৰণ কৰা হৈছে। ছিকিমৰ যুৱক-যুৱতীসকলক প্ৰশংসা কৰি তেওঁ কয়, যে ফুটবল, বক্সিং আৰু ধনুৰ্বিদ্যাৰ দৰে ক্ৰীড়াৰ বৃহৎ মঞ্চত তেওঁলোকৰ প্ৰতিভা প্ৰদৰ্শন কৰিছে। খেলো ইণ্ডিয়া আৰু ফিট ইণ্ডিয়া মুভমেণ্টৰ দৰে উদ্যোগসমূহে যুৱক-যুৱতীসকলক তেওঁলোকৰ সামৰ্থ্য বিকাশৰ সুযোগ প্ৰদান কৰিছে। দেশৰ নাগৰিকসকলক ছিকিম ভ্ৰমণ

কৰিবলৈ উৎসাহিত কৰি প্ৰধানমন্ত্ৰীয়ে তেওঁলোকক স্থানীয় সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনায়, যিয়ে **ভোকেল ফ'ৰ লোকেল** উদ্যোগৰ মনোভাৱ শক্তিশালী কৰে। উত্তৰ পূৰ্বাঞ্চলক দেশৰ অষ্টলক্ষ্মী বুলি অভিহিত কৰি শ্ৰীমোদীয়ে কয়, যে চলি থকা আৰু ভৱিষ্যতৰ প্ৰকল্পসমূহে অঞ্চলটোৰ জনসাধাৰণৰ জীৱনলৈ গুৰুত্বপূৰ্ণ পৰিৱৰ্তন আনিব।

এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ছুখন ক্ৰিকেট একাডেমীৰ লগতে ৪হাজাৰ কোটি টকাৰো অধিক ব্যয়সাপেক্ষ বিভিন্ন উন্নয়নমূলক আঁচনিৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। অনুষ্ঠানত এহেজাৰ ৫০০ ৰো অধিক শিল্পীয়ে পৰিৱেশন কৰা একতাৰ এহেজাৰ পদক্ষেপ শীৰ্ষক সাংস্কৃতিক প্ৰদৰ্শনে দেশৰ সমৃদ্ধ কলা আৰু সংস্কৃতিক প্ৰতিফলিত কৰে। প্ৰধানমন্ত্ৰীয়ে এই সাংস্কৃতিক প্ৰদৰ্শন **এক ভাৰত শ্ৰেষ্ঠ ভাৰত**ৰ প্ৰকৃত প্ৰতিফলন বুলি প্ৰশংসা কৰে।

এই অনুষ্ঠানত ছিকিমৰ ৰাজ্যপাল ওম প্ৰকাশ মাথুৰ আৰু মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং গোলেৰ লগতে অন্যান্য মন্ত্ৰী আৰু সাংসদসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰী তামাঙে ৰাজ্যখনত গ্ৰহণ কৰা উন্নয়নমূলক পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীক কৃতজ্ঞতা জ্ঞাপন কৰে আৰু বিকশিত ভাৰতৰ দৃষ্টিভংগীলৈ অৰিহণা যোগোৱাৰ ক্ষেত্ৰত ছিকিমৰ প্ৰতিশ্ৰুতি পুনৰ নিশ্চিত কৰে। ইয়াৰপূৰ্বে প্ৰধানমন্ত্ৰীয়ে স্থানীয় যুৱক-যুৱতীসকলৰ সৈতে ফুটবল খেলে আৰু গেংটকৰ ৰিজ পাৰ্কস্থিত অৰ্কিডেৰিয়াম পৰিদৰ্শন কৰে।

০০০০০০০

পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত ৰাজ্যখনৰ সাতখন জিলাৰ মুঠ ১৪২টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ বাবে প্ৰচাৰ অভিযানৰ কালি সামৰণি পৰে।

প্ৰচাৰৰ অন্তিম দিনটোত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জগতদলৰ জিলেপি মঠত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তৃণমূল কংগ্ৰেছৰ নেত্ৰী তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে যাদৱপুৰৰ সুকান্ত সেতুত যাদৱপুৰ আৰু টালিগঞ্জৰ দলীয় প্ৰাৰ্থীৰ সমৰ্থনত এটা সমদলত অংশ লয়। শ্ৰীমতী বেনাৰ্জীয়ে প্ৰচাৰ অভিযানৰ সামৰণি পৰাৰ আগমুহূৰ্তলৈকে মটৰ চাইকেলত উঠিও নিৰ্বাচনী প্ৰচাৰ চলায়। নিজা সমষ্টি ভৱানীপুৰতো তেওঁ পদযাত্ৰাত অংশগ্ৰহণ কৰে। তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক অভিষেক বেনাৰ্জীয়েও বিভিন্ন স্থানত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সাম্প্ৰতিক বিশ্বৰ প্ৰেক্ষাপটত ছাংহাই সহযোগিতা সংগঠন, এছ চি অ'ৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি এই সংগঠনৰ সিদ্ধান্তসমূহ ইতিবাচকভাৱে কাৰ্যকৰী কৰাৰ বাবে ভাৰত দায়বদ্ধ বুলি দোহাৰিছে। সাম্প্ৰতিক বিশ্বৰ দৃষ্টিভংগী বহুধাবিভক্ত হোৱাৰ লগতে দেশসমূহত ক্ৰমান্বয়ে আত্মকেন্দ্ৰিকতা বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত এছ চি অ'ৰ অধীনত সকলো একগোট হোৱাৰ সময় আহি পৰিছে বুলি তেওঁ উল্লেখ কৰে। কীৰ্গিস্তানৰ বিছকেকত অনুষ্ঠিত এছ চি অ'ক প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ বৈঠকত ভাষণ দি শ্ৰী সিঙে লগতে ছাংহাই সহযোগিতা সংগঠনক বিশ্বৰ সবাটোকৈ প্ৰাচীন সভ্যতাসমূহৰ একাংশৰ আপোন ঘৰ বুলি অভিহিত কৰে।

ভাৰতবৰ্ষৰ ঐতিহ্যময় সভ্যতাৰ বিষয়ে উল্লেখ কৰাৰ লগতে সমতা, পাৰস্পৰিক শ্ৰদ্ধা আৰু গভীৰ বুজাবুজিৰ জৰিয়তে এছ চি অ'ৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু আস্থা বৰ্তাই ৰখাৰ বিষয়তো তেওঁ গুৰুত্ব আৰোপ কৰে। পেহেলগামত সন্ত্ৰাসবাদীৰ কাপুৰুষোচিত আক্ৰমণৰ বলি হোৱা লোকসকলৰ বিষয়ে সুঁৱৰি শ্ৰী সিঙে কয়, যে সন্ত্ৰাসবাদৰ অভিকেন্দ্ৰ কেতিয়াও শাস্তিৰ সন্মুখীন হ'ব নোৱাৰে বুলি থকা পূৰ্বৰ ধাৰণাক ভাৰতে অপাৰেচন সিন্দূৰৰ জৰিয়তে সমূলি নস্যাৎ কৰিছে।

**(বাইট)**

০০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰিছে। এই পৰীক্ষাত ছাত্ৰীসকলে ছাত্ৰসকলক অতিক্ৰম কৰি সাফল্য দেখুৱাবলৈ সমৰ্থ হৈছে। সামগ্ৰিকভাৱে এই পৰীক্ষাত উত্তীৰ্ণৰ হাৰ ৮১ দশমিক ৫-৪ শতাংশ।

এইবাৰৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ বাবে মুঠ তিনি লাখ ৩০ হাজাৰ ৭৯৮ গৰাকী পৰীক্ষাৰ্থীয়ে প্ৰ-পত্ৰ পূৰণ কৰিছিল যদিও ইয়াৰে তিনি লাখ ২২ হাজাৰ ৭২৫ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হয়। পৰীক্ষাত অৱতীৰ্ণ হোৱাসকলৰ দুই লাখ ৬৩ হাজাৰ ১৫৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়। এই পৰীক্ষাত মুঠ এক লাখ ৪৫ হাজাৰ ৪২৪ গৰাকী ছাত্ৰী উত্তীৰ্ণ হয়। সেই অনুসৰি ছাত্ৰীসকলৰ উত্তীৰ্ণৰ হাৰ হ'ল ৮৩ দশমিক ৩-১ শতাংশ। আনহাতে ৭৯ দশমিক ৪-৬ শতাংশ উত্তীৰ্ণৰ হাৰেৰে মুঠ এক লাখ ১৭ হাজাৰ ৭৩১ জন ছাত্ৰ পৰীক্ষাত উত্তীৰ্ণ হয়।

কলা শাখাত উত্তীৰ্ণৰ হাৰ ৭৯ দশমিক ৫-৪ শতাংশ। বাণিজ্য শাখাত ৮১ দশমিক ১-৩ শতাংশ, বিজ্ঞান শাখাত ৮৯ দশমিক ৭-৯ শতাংশ আৰু বৃত্তিমুখী শাখাত ৭৪ দশমিক ১-৯ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হয়।

পৰীক্ষাৰ্থীসকলে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ ৱেবছাইট আৰু **উপলব্ধ** এণ্ড্ৰইড ম'বাইল এপৰ জৰিয়তে নিজৰ ফলাফল আৰু নম্বৰ তালিকা লাভ কৰিব পাৰিব। উত্তীৰ্ণ শিক্ষাৰ্থীসকলে ম'বাইল এপ আৰু ৱেবছাইটৰ জৰিয়তে মাৰ্কশ্বিটো ডাউনলোড কৰিব পাৰিব।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে সামাজিক মাধ্যমযোগে বিনিয়োগৰ মঞ্চ এখনৰ হৈ বক্তব্য আগবঢ়োৱা বুলি প্ৰচাৰিত এটা ভিডিঅ'ক চৰকাৰে ভুৱা বুলি অভিহিত কৰিছে। কোনো বিনিয়োগকাৰীয়ে এবাৰত ২২ হাজাৰ টকাৰ জমা থ'লে মাহে নিশ্চিতভাৱে ১৫ লাখ টকা পৰ্যন্ত উপাৰ্জন কৰিব পাৰিব বুলি এই ভুৱা ভিডিঅ'টোৰ জৰিয়তে দাবী কৰা হৈছে। এই ভিডিঅ'টো কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰস্তুত কৰা বুলি প্ৰেছ ইনফৰমেচন ব্যুৰোৰ সত্যাসত্য নিৰূপন গোটে স্পষ্ট কৰি দিছে। চৰকাৰে এনে ধৰণৰ কোনো বিনিয়োগৰ মঞ্চ অথবা আঁচনিৰ হৈ কোনো ধৰণৰ প্ৰচাৰৰ ব্যৱস্থা কৰা নাই বুলি উল্লেখ কৰি সংস্থাটোৱে এনে সন্দেহজনক লিংকৰ প্ৰচাৰত ভোল নাযাবলৈ আৰু যিকোনো ধৰণৰ তথ্যৰ বিষয়ে কেৱল চৰকাৰী উৎসৰ পৰাহে নিশ্চিতি গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০

কেন্দ্ৰীয় ৰে'ল তথা তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে বিশাখাপট্টনমত গুগল ক্লাউড ইণ্ডিয়া এ আই হাবৰ আধাৰশিলা স্থাপন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে

দেশখনে ইলেক্ট্ৰনিকছ্ নিৰ্মাণ, ছেমিকণ্ডাক্টৰ উৎপাদন, উন্নত চিপ ডিজাইন আৰু কৃত্ৰিম বুদ্ধিমত্তা প্ৰযুক্তিৰ দিশে দ্ৰুতভাবে আগবাঢ়িছে। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মেক ইন ইণ্ডিয়া দৃষ্টিভংগীৰ অধীনত ভাৰত দ্ৰুতগতিত বিশ্বজনীন ইলেক্ট্ৰনিকছ-নিৰ্মাণ অংশীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। ছেমিকণ্ডাক্টৰৰ ক্ষেত্ৰত দেশৰ অগ্ৰগতিৰ ওপৰত আলোকপাত কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ ছেমিকণ্ডাক্টৰ মিছনৰ অধীনত ইতিমধ্যে  দুটা ছেমিকণ্ডাক্টৰ প্ৰকল্পত বাণিজ্যিক উৎপাদন আৰম্ভ হৈছে। তেওঁ ভাৰত এআই মিছনৰ অধীনত ভৱিষ্যতৰ প্ৰযুক্তি আন্তঃগাঁথনি প্ৰকল্পসমূহত শক্তি দক্ষতা উন্নত কৰা আৰু পানী ব্যৱহাৰ হ্ৰাস কৰাৰ বাবে যুটীয়া গৱেষণা পদক্ষেপৰ বাবে আহ্বান জনায়।

ooooooo

মেঘালয় চৰকাৰী ভাষা অধ্যাদেশ ২০২৬-এ ৰাজ্যপাল চন্দ্ৰশেখৰ  এইচ বিজয়শংকৰৰ অনুমোদন লাভ কৰিছে, যাৰ ফলত ইংৰাজীৰ লগতে খাচী আৰু গাৰো ভাষাও ৰাজ্যখনৰ চৰকাৰী ভাষা হৈ পৰে।

ooooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ নিউ চণ্ডীগড়ত আজি  হ'বলগীয়া এখন খেলত পঞ্জাৱ কিংছ ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে দেলহী কেপিটেলছক ৯ উইকেটত পৰাস্ত কৰে। দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত একপক্ষীয় খেলখনত প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰি দিল্লীয়ে ৭৫ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। ১৬ অভাৰ আৰু ৩টা বলতে ইনিংছ সামৰিবলৈ বাধ্য কৰোৱা বেংগালুৰুৰ হৈ জ'ছ্ হেজেলউদে ৪টা আৰু ভূৱনেশ্বৰ কুমাৰে তিনিটা উইকেট দখল কৰে। প্ৰত্যুত্তৰত দুৰ্দান্ত ফৰ্মত থকা বেংগালুৰুৱে মাত্ৰ এটা উইকেট হেৰুৱাই সপ্তম অভাৰতে বিজয় সুনিশ্চিত কৰে। হেজেলউদক খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈ হিচাপে নিৰ্বাচিত কৰা হয়।

ooooooo

সমাপ্ত